**আৰ জি বৰুৱা মহাবিদ্যালয়ৰ 'সাহিত্য দিৱস'ত মনজ্যোৎস্না মহন্ত গোস্বামী**

# লক্ষ্মীনাথ বেজবৰুৱাৰ অপূৰ্ব সৃষ্টিৰাজিয়ে সাহিত্যৰ সৰ্বক্ষেত্ৰ সমৃদ্ধ কৰিছে

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱস 'সাহিত্য দিৱস' হিচাপে কালি উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়খনৰ গণিত বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক ডঃ শিখা শইকীয়াই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে। উপাধ্যক্ষ ডঃ দীপক পাঠকে আদৰণী ভাষণত আধুনিক অসমীয়া সাহিত্যৰ ভেটি নিৰ্মাণত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদানৰ কথা উল্লেখ কৰে। সাহিত্য দিৱসৰ কাৰ্যসূচীত 'লক্ষ্মীনাথ বেজবৰুৱাৰ গীত আৰু স্বদেশ প্ৰেম' শীৰ্ষক বিষয়ত আলোচনা আগবঢ়ায় ৰাজ্যৰ বিশিষ্ট সংগীত শিল্পী তথা মন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা মনজ্যোৎস্না মহন্ত গোস্বামীয়ে। তেওঁ কয়, 'লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া সাহিত্যৰ অন্য এটা সোণালী যুগৰ খনিকৰ আছিল।' ৰোমাণ্টিক সাহিত্যৰ পটভূমি, জোনাকী আৰু বাঁহীৰ ভিন্ন প্ৰসংগেৰে গীত-কবিতা-নাটকৰ উদ্ধৃতিসহ তেওঁ এক মননশীল আলোচনা




আগবঢ়ায়। তেওঁ কয়, 'লক্ষ্মীনাথ বেজবৰুৱাৰ অপূৰ্ব সৃষ্টিৰাজিয়ে সাহিত্যৰ সৰ্বক্ষেত্ৰ সমৃদ্ধ কৰিছে। মানুহৰ মাজত সোমাই যাব পৰাকৈ সৌন্দৰ্যশালী সাহিত্য সৃষ্টি কৰি বেজবৰুৱাই নিজস্ব চিন্তা-চেতনাৰে সমাজৰ ভিন্ন দৃষ্টিকোণ অংকন কৰিবলৈ সক্ষম হৈছিল।' বিভাগৰ সহকাৰী অধ্যাপক জয়ন্ত ডেকাই আঁত ধৰা সভাখনত বিভাগীয় প্ৰধান অধ্যাপক ডঃ লিপিকা তালুকদাৰে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য চৰ্চা সম্পৰ্কত আলোকপাত কৰে। অনুষ্ঠানত লক্ষ্মীনাথ বেজবৰুৱা ৰচিত কেইবাটাও গীত মনজোৎস্না গোস্বামীয়ে পৰিৱেশন কৰি গীতৰ পাঠৰ ব্যাখ্যাও আগবঢ়ায়। শিল্পীগৰাকীয়ে এক অন্তৰংগ মত-বিনিময়তো অংশগ্ৰহণ কৰে। শিল্পীগৰাকীৰ লগতে এই অনুষ্ঠানটি পৰিচালনা কৰে বিভাগৰ সহকাৰী অধ্যাপক ডঃ মনোজ কুমাৰ দাসে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত ২০২৪ বৰ্ষত অনুষ্ঠিত স্নাতক চূড়ান্ত পৰীক্ষাত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰপৰা সৰ্বাধিক নম্বৰ প্ৰাপ্ত ছাত্ৰী অঞ্জুমা বেগমলৈ 'আশাৰ তৰা শৈক্ষিক বঁটা' আগবঢ়োৱা হয়। অতিথি শিল্পী হৃদয় গোস্বামী অনুষ্ঠানত উপস্থিত থাকে।


DAINIK ASOM
DATE: 28/03/2025
Pg. No.: 09